**জীৱনী, আত্মজীৱনী, দিনলিপি, সোঁৱৰণ আৰু স্মৃতিকথাৰ প্ৰসংগত ঃ**

**জীৱনী ঃ**

জীৱনী মানুহৰ জীৱনৰ পৰিচয় যদিও ইয়াৰ ব্যাখ্যা সহজসাধ্য নহয়। এজন মানুহৰ জীৱনৰ পৰিচয়জ্ঞাপক বৃত্তান্ত বুলি যাক কোৱা হয় সেয়ে জীৱনী। জীৱনী মানে সদায় এজন মানুহৰ জীৱনীক বুজায়। অইন ব্যক্তিৰ লগত ওতপ্ৰোত সম্পৰ্ক থাকিলেও সেই ব্যক্তি হ'ব গৌণ, মূল চৰিত্ৰটিয়েহে প্ৰাধান্য লাভ কৰিব। প্ৰখ্যাত জীৱনীতাত্ত্বিক গেৰেটিৰ মতেও জীৱনী এখন 'জীৱন এটিৰ অভিলেখ'। তেওঁৰ মতে জীৱনীৰ অৱশ্যে এইটো এটা প্ৰাথমিক সৰল সংজ্ঞাহে। জীৱনীৰ সঠিক সৰল সংজ্ঞা হ'ল— এগৰাকী মানুহৰ জীৱনৰ ইতিহাস।[1] অক্সফোৰ্ড অভিধানৰ মতে জীৱনী হ'ল— সাহিত্য ৰূপত মানুহৰ গাইগুটীয়া জীৱনৰ ইতিহাস।[2] সেয়ে জীৱনীয়ে তিনিটা বৈশিষ্ট্য সামৰি লৈছে— ইতিহাস, মানুহৰ গাইগুটীয়া জীৱন আৰু সাহিত্যৰূপ। সত্য বিৱৰণ বাবেই ই ইতিহাস আৰু কলা-কুশল ৰচনা বাবেই ই সাহিত্য। লেখকৰ মনোৰম কাব্যিক প্ৰকাশৰ গুণৰ বাবে সাহিত্যৰ এবিধ কলাত্মক ৰূপ হিচাপে জীৱনী সাহিত্যই বৰ্তমান আত্মপ্ৰকাশ কৰিছে। জীৱনী সাহিত্যত সমসাময়িক সমাজ, সুখ-দুখ, ব্যক্তিত্বৰ মহৎ কাৰ্যাৱলীৰ বিৱৰণ থাকে। ই মুঠেই কল্পনাশ্ৰয়ী নহয়; ইয়াত প্ৰকাশ পায় লেখকৰ কলা-কৌশলৰ অভিনৱ নিৰ্মিতি।

**আত্মজীৱনী ঃ**

'মোৰ জীৱন সোঁৱৰণ' আত্মজীৱনী হিচাপে কিমানখিনি সাৰ্থক তাক আলোচনা কৰিবলৈ হ'লে আত্মজীৱনীৰ স্বৰূপ বিশ্লেষণৰ প্ৰয়োজন আহি পৰে। এই ক্ষেত্ৰত উনুকিয়াব পাৰি যে 'মোৰ জীৱন সোঁৱৰণ'ত আত্মজীৱনীৰ সকলো গুণ থকাৰ উপৰি কিছু অতিৰিক্ত গুণ নিহিত হৈ আছে। সাধাৰণতে জীৱনী সাহিত্যৰ লগত এক নিবিড় সম্বন্ধ থকা সাহিত্য হিচাপে পৰিগণিত হৈছে আত্মজীৱনী। আত্মজীৱনীত এজন মানুহে নিজৰ জীৱনৰ কথা লিখে। 'মোৰ জীৱন সোঁৱৰণ' বেজবৰুৱাৰ নিজৰ জীৱনৰ কথা যদিও ই বহু চৰিত্ৰ, ঘটনা, স্মৃতিৰ সমাহাৰ। ড° জনছনৰ মতে এজন লোকৰ জীৱনী সেইজন লোকতকৈ আন কোনেও ভালকৈ লিখিব নোৱাৰে। যিহেতু লেখকে নিজেই তেওঁৰ জীৱনৰ কথা লিখে, সেইবাবে আত্মজীৱনীত প্ৰকাশিত তথ্যসমূহ সন্দেহৰ ঊৰ্দ্ধত বুলি সাধাৰণতে বিশ্বাস কৰা হয়। কিন্তু এই কথা সৰ্বদা সঁচা নহয়। কাৰণ বহুক্ষেত্ৰত আত্মজীৱনীত লেখকে নিজৰ জীৱনৰ বহু কথাই ঘাইকৈ বাল্যকালৰ কথাবোৰ কষ্টেৰে মনত পেলায় বা বয়সিয়াল আত্মীয়-কুটুম্বক সুধি-পুছি লিখিব লগা হয় আৰু সেইবোৰ কথা পূৰ্ণমাত্ৰাই নিৰ্ভৰশীলতাৰ দাবী কৰিব নোৱাৰে।[3] নিজৰ দোষ লুকুৱাই ৰখা মানুহ মাত্ৰৰে দুৰ্বলতা বাবে আত্মজীৱনীও এই দুৰ্বলতাৰপৰা মুক্ত নহয়। আত্মজীৱনীত লেখকৰ আত্মজীৱনীৰ

পৰিচয় দিব পাৰিব লাগে আৰু তাৰ বাবে প্ৰয়োজন হয় বিশ্লেষণাত্মক দৃষ্টিভংগীৰ। জীৱনী, আত্মজীৱনী উভয়ৰে এক সাধাৰণ উদ্দেশ্য আছে। মুঠতে আত্মজীৱনী এজন বাস্তৱ মানুহৰ বাস্তৱ ঘটনা আৰু অভিজ্ঞতা, স্বয়ংৰচিত কলাত্মক জীৱন বৃত্তান্ত বা ই হ'ল কোনো বাস্তৱ ব্যক্তি বিশেষৰ স্বলিখিত কলাত্মক জীৱন বৃত্তান্ত। দিনলিপি, স্মৃতিকথা, সোঁৱৰণ আৰু আত্মজীৱনীক একে শাৰীতে থ'লেও আত্মজীৱনীৰ লগত বাকীকেইটাৰ পাৰ্থক্য বিদ্যমান। দিনলিপি হ'ল দৈনন্দিন জীৱনৰ অভিজ্ঞতা, ই ব্যক্তি জীৱনৰ তথ্য আৰু খবৰৰ ভঁৰাল। আত্মজীৱনীত জীৱনৰ বিশেষ ঘটনা আৰু অভিজ্ঞতাৰ নিৰ্বাচন কৰা হয়। দিনলিপিত প্ৰকাশ হয় খণ্ড ব্যক্তিত্বৰ চিত্ৰ, আত্মজীৱনীক পূৰ্ণাঙ্গ নহ'লেও পূৰ্ণাঙ্গ বুলি অৱধাৰণা কৰা হয়। 'মোৰ জীৱন সোঁৱৰণ'ত আটাইবোৰ গুণেই যুক্ত হৈ আছে।

স্মৃতিকথা, সোঁৱৰণ আৰু আত্মজীৱনীৰ মাজত সীমাৰেখা এডাল টনা সহজ কথা নহয়। এনে কোনো আত্মজীৱনী নাই য'ত একে সময়তে স্মৃতিকথা বা সোঁৱৰণী বিচাৰি পোৱা নাযায়। সোঁৱৰণ বা স্মৃতিকথাত আগতে হৈ যোৱা কথাবোৰ মনত পেলায়, কিন্তু আত্মজীৱনীত লেখকৰ আত্মসত্তাৰ ওপৰত বিশ্লেষণ কৰে। স্মৃতিকথাত ইয়াৰ বিপৰীতে তেওঁ কাক লগ পাইছিল তাকহে সোঁৱৰে।

সোঁৱৰণত লেখকৰ মনোনিবেশ আত্মসত্তাৰপৰা ফালৰি কাটি ব্যক্তিগত বিষয়ৰ ওপৰত থিতাপি লয়। কিন্তু আত্মজীৱনীত ঘৰুৱা, ৰাজহুৱা, ব্যক্তিগত কথা, অভিজ্ঞতা, জীৱনৰ সফলতা, বিফলতা আদিৰ সমন্বয়ত লেখকৰ ব্যক্তিগত চিত্ৰণৰ লগত মনোযোগ স্থিৰ হৈ থাকে। মোৰ জীৱন সোঁৱৰণত এই সকলোখিনি বিদ্যমান।

স্মৃতিকথা লেখকৰ ৰাজহুৱা জীৱনৰ ঘটনা, অভিজ্ঞতা আৰু কাৰ্যাৱলীৰ বিৱৰণ। আনহাতে সোঁৱৰণীত থাকে লেখকৰ একান্ত ঘৰুৱা বা ব্যক্তিগত জীৱনৰ সমন্বয়ৰ সোঁৱৰণ। আত্মজীৱনী মূলতঃ লেখকৰ আত্মসত্তাৰ বিশ্লেষণ, বহু পৰিমাণে স্মৃতি নিৰ্ভৰ।

লক্ষ্মীনাথ বেজবৰুৱাৰ — 'মোৰ জীৱন সোঁৱৰণ'ক আত্মজীৱনী বোলাতকৈ স্মৃতিকথা (memoir) বুলিলেহে খাপ খায়। বৰ্তমান পুথিৰ প্ৰথমভাগ বেজবৰুৱাৰদ্বাৰা সম্পাদিত 'বাঁহী'ত আৰু দ্বিতীয়ভাগ অমিয় কুমাৰ দাস সম্পাদিত 'বাঁহী'ত ছোৱা-ছোৱাকৈ প্ৰকাশ হৈছিল। বেজবৰুৱাদেৱৰ জীৱন সোঁৱৰণত ব্যক্তিগত জীৱনৰ উপৰি সমসাময়িক অসমৰ সমাজ, শিক্ষা, সাহিত্য, সংস্কৃতি আদিৰ আভাস পোৱা যায়। লক্ষীমপুৰ, গুৱাহাটীৰ স্মৃতি, ৰংপুৰ নগৰৰ বৰ্ণনা আদি অভাৱনীয় প্ৰাণৰসত পৰিস্ফুট হৈ উঠিছে। সাধুকথাৰ থুন্‌পাক, ৰবিককা, মনপুৰ কাই, ধনী লগুৱাৰপৰা আৰম্ভ কৰি গুণাভিৰাম বৰুৱা, বলিনাৰায়ণ বৰা, ভোলানাথ বৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আদিলৈকে সৰু-বৰ বহুত লোক এই আত্মচৰিতত জীৱন্ত হৈ উঠিছে। অঃ ভাঃ উঃ সাঃ সভা আৰু জোনাকী আলোচনীৰ ইতিবৃত্ত সাহিত্য বুৰঞ্জীৰ ছাত্ৰৰ কাৰণে মূল্যৱান। মুঠৰ ওপৰত 'মোৰ জীৱন সোঁৱৰণ'ত আধুনিক অসমীয়া সাহিত্যৰ যথেষ্ট সমল আছে। লেখকৰ

কলাশৈলীৰে জীৱন স্মৃতিক প্ৰাণৱন্ত কৰি তুলিছে। (মোৰ জীৱন সোঁৱৰণৰ পাতনি)। সেয়ে সাহিত্যৰথী বেজবৰুৱাৰ আত্মজীৱন চৰিতত বেজবৰুৱা মানুহজন প্ৰকৃত হোৱাৰ লগতে প্ৰতিফলিত হ'ল সেই সময়ৰ জনজীৱনৰ ছবি (পাতনি)।

বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ' কিছুমান অতিৰিক্ত গুণেৰে মহিমামণ্ডিত। কেৱল সেইবাবে সাহিত্যিক মনে যাতে হাত দিছিল তাতে সাহিত্য ৰসৰ সোৱাদ দিব পাৰিছিল। গতিকে আত্মজীৱনীখনিও সাহিত্য ৰসৰ বিচিত্ৰ সোৱাদেৰে উপাদেয় হৈ উঠিছে। বেজবৰুৱাৰ জীৱনৰ সময় কুশলৰ কণ্ঠোৰে ঢুমুকি মাৰিবলৈ সুযোগ নিদিয়াকৈ থাকে। ফলত হাস্যৰস কেৱল মনৰ এবাৰ লোৱাৰা লগৰী হৈ পৰে। তাৰ লগে লগে থাকে এক তীব্ৰ স্বদেশ চেতনা (পাতনি)।

'মোৰ জীৱন সোঁৱৰণ'ত ব্যক্তিগত জীৱনৰ কথা— জন্ম, শিশুৰে পৰা কৈশোৰলৈ পৰিয়ালৰ বৰ্ণনা, বৰপেটাৰ বৰ্ণনা, বৰপেটাত অসমীয়া মহ পাতুৰি হোৱাৰ বৰ্ণনা, বাকিবাৰ বৰ্ণনা, কীৰ্তন ঘৰৰ বৰ্ণনা, হাতীবুৰীয়া বালিৰ এটোলৰ বৰ্ণনা, তেজপুৰ-লক্ষীমপুৰৰ বৰ্ণনা, অলাকোনৰ বৰ্ণনা, বৰ্নিনাথ মাকুলেলৰ বক্তৃতাৰ বৰ্ণনা, অসমীয়া মতা মানুহৰ কিয়া পতা ৰাসৰ বৰ্ণনা, বঙালী পাৰীৰ উৎসৱৰ বৰ্ণনা, চেঙ্কুল-হাইতালৰ কথা, বিনাবস্ত্ৰ, জলপানত অ-আ লিখা, গমৰ মুত আৰু এছাৰেৰে চিৰাহী তৈয়াৰ কৰা, বঙলা শিক্ষাৰ পত্তন, ইংৰাজী শিক্ষাৰ কথা, চিপাহী বিদ্ৰোহৰ চেীন কথা, হিন্দুৱে কুকুৰাৰ আণ্ডা খাই চুৱা হোৱাৰ কথা, অন্ধবিশ্বাস— ভূত চালত পৰিলে অমঙ্গল হোৱাৰ কথা, মাছ-কাছ, গালি-শপনি, মৌজাদাৰ, মুন্সিফ, হাকিম্মা-বাকিম্মা, দোকানী-পোহাৰী ইত্যাদিৰ কথা, নাম-প্ৰসঙ্গ, সত্ৰ, নামঘৰ, ভকত, ভকতীয়া ঠাঁচ আদিৰ বৰ্ণনা, ব্ৰাহ্মণ-ক্ষত্ৰিয়-টিকনিৰ কথা, বিলাত গমনৰ প্ৰতি বিৰূপ মনোভাৱৰ কথা, কলিকতাৰপৰা আমদানি কৰা উকিলৰ কথা, কাছাৰীৰ কথা, গুৱাহাটীৰ বৰ্ণনা, ব্ৰহ্মপুত্ৰৰ মনোৰম দৃশ্যৰ বৰ্ণনা, তীৰ্থস্থানৰ বৰ্ণনা, প্ৰবাদ-প্ৰবচন, জতুৱা ঠাঁচ, নিভাঁজ অসমীয়া কথাৰে গঢ়া 'মোৰ জীৱন সোঁৱৰণ' লেখকৰ কেৱল আত্মজীৱনীয়েই নহয়; সেই সময়ৰ চিত্ৰিত কৰা এখন অনন্য দলিলহে। সেয়ে মোৰ জীৱন সোঁৱৰণ লেখকৰ আত্মজীৱনী হৈও অতিৰিক্ত গুণেৰে সমৃদ্ধ এক মনোৰম সৃষ্টি।